**GOVERNMENT OF ASSAM**
**FISHERY DEPARTMENT: DISPUR: GUWAHATI-6**

No.FISH.06/2026/ 5 Dated Dispur the July, '2026

From : Under Secretary to the Govt. of Assam
Fishery Department &
Nodal Officer

To : The Secretary,
Assam Legislative Assembly, Dispur

Subject : Submission of reply / materials to the Unstarred Assembly Question No.48 to be asked by Dr. Asif Md. Najar, Hon'ble MLA

Reference : Unstarred Assembly Question No.48

Sir,

With reference to the subject cited above, I am directed to submit herewith the required 150 copies of cyclostyled reply to the Unstarred Assembly Question No.48 to be asked by Dr. Asif Md. Najar, Hon'ble MLA on 06/07/2026.

Answer is also uploaded in the website "neva.gov.in/Home/NeVA" of Assam Legislative Assembly.

This is for favour of your kind information and necessary action.

Enclo: As stated above.

Yours faithfully,

Under Secretary to the Govt. of Assam
Fishery Department

**অসম বিধান সভা**

তৰাবিহীন প্ৰশ্ন নং – ৪৮

উত্তৰ দিবলগীয়া তাৰিখ : ০৬/০৭/২০২৬

বিষয় : মীন বিভাগৰ তদন্ত সন্দৰ্ভত

ডাঃ আছিফ মোঃ নাজাৰ

মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) মীন বিভাগৰ কোনো কেলেংকাৰীৰ তদন্ত চলি আছে নেকি? সবিশেষ তথ্য প্ৰদান কৰিব। এই কেলেংকাৰীৰ তদন্তত কাক অভিযুক্ত কৰা হৈছে?

(খ) বিগত ১০ বছৰত মীন নিগমত বক্ৰ পথেৰে কোনো নিযুক্তি হোৱাৰ অভিযোগ আছে নেকি? যদি আছে, বক্ৰ পথেৰে নিযুক্তি হোৱা সকলক তদন্তৰ আওঁতালৈ অনা হৈছে নেকি?

উত্তৰ

মাননীয় মীন বিভাগৰ মন্ত্ৰী, শ্ৰীমতী নীলিমা দেৱী মহোদয়াই উত্তৰ দিব:

(ক) হয় আছে। অসম চৰকাৰৰ অপৰাধ অনুসন্ধান বিভাগে (CID) অসম মীন উন্নয়ন নিগমত হোৱা অবৈধ কৰ্মচাৰী নিযুক্তি সন্দৰ্ভত তদন্ত চলাইছে। ইয়াৰ উপৰিও, দুৰ্নীতি নিবাৰক সঞ্চালকালয় (Directorate of Anti-Corruption) আৰু ভাৰত চৰকাৰৰ প্ৰৱৰ্তন সঞ্চালকালয়ে (ED) মীন উন্নয়ন নিগমৰ কৰ্মচাৰীৰ আগধন আৰু নিবিদা অবিহনে হোৱা উন্নয়নমূলক কাম-কাজৰ কেলেংকাৰীৰ তদন্ত কৰি আছে।

তদুপৰি, ফিশ্বাৰী মিছন ছ'চাইটি-মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা (FMS-CMSGUY)-ৰ অধীনত চৰকাৰী পুঁজিৰ এক অনুমোদন বিহীন আৰু অবৈধ হস্তান্তৰৰ গোচৰ বৰ্তমান অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখা (CID)-ই তদন্ত কৰি আছে। চিআইডিয়ে CID P.S. Case No. 16/2025 নম্বৰত এটা গোচৰ ৰুজু কৰিছে আৰু ইয়াৰ তদন্ত অব্যাহত আছে। ইয়াৰ লগতে সংশ্লিষ্ট বিভাগীয় বিষয়াসকলৰ বিৰুদ্ধেও বিভাগীয় ব্যৱস্থা গ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে।

(খ) হয় আছে। এই ক্ষেত্ৰত অসম চৰকাৰৰ দ্বাৰা গঠিত উচ্চস্তৰীয় তদন্ত কমিটিয়ে দিয়া সিদ্ধান্ত মৰ্মে অসম মীন উন্নয়ন নিগমে অবৈধ ভাৱে নিযুক্তি পোৱা ২১৭ জন কৰ্মচাৰীক ২০২২ চনত চাকৰিৰ পৰা অব্যাহতি দিছে।

এই সম্পৰ্কীয় গোচৰৰ তদন্ত অপৰাধ অনুসন্ধান বিভাগ (CID) আৰু ভাৰত চৰকাৰৰ প্ৰৱৰ্তন সঞ্চালকালয়ৰ অধীনত চলি আছে।

**বি: দ্ৰ:** উত্তৰ সমূহ https://neva.gov.in/Home/NeVA upload কৰা হৈছে ।

*-0-0-0-*